BN-8

# ভুৱা অফাৰ/লটাৰীত বিজয়লাভ/সস্তীয়া পুঁজিৰ অফাৰ আদিৰ বাবে সস্তাতে পুঁজি প্ৰদানৰ জাল অফাৰৰ বিৰুদ্ধে জনসাধাৰণলৈ আৰবিআই-ৰ সতৰ্কতা

ৰিজাৰ্ভ বেংকে 26 মে’ 2010 তাৰিখে বেংকসমূহক কিছুমান প্ৰবঞ্চনামূলক অফাৰ সম্বন্ধে যথোচিত সৰ্তক হ’বলৈ আৰু অধিক সজাগ হৈ পৰিবলৈ পৰামৰ্শ দিছে, যিক্ষেত্ৰত তথাকথিত প্ৰাইজ মানি/এৱাৰ্ড মানি আদি হস্তান্তৰ কৰাৰ বাবে লেনদেনৰ মাচুল আদি ৰূপে অভিহিত কৰি ধন প্ৰাপ্ত কৰিবলৈ বেংকত একাউন্ট খোলা হয় আৰু / বা একাউন্টত লেনদেন কৰা হয়। ৰিজাৰ্ভ বেংকে এই কথা স্পষ্ট কৰি দিছে যে যিকোনো ভাৰতীয় নিবাসীয়ে এনে ধন ভাৰতৰ বাহিৰলৈ প্ৰত্যক্ষ/পৰোক্ষভাবে প্ৰেৰণ কৰিলে/তাত আদায় দিলে, তেওঁৰ বিৰুদ্ধে ফৰেন এক্সচেঞ্জ মেনেজমেন্ট এক্ট, 1999 লঙ্ঘনৰ কাৰণে আইনগত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে তেওঁ নিজে দায়ী হোৱাৰ লগতে ‘‘ন’ ইয়’ৰ কাষ্টমাৰ’’ (কেওৱাইচি) অৰ্থাৎ ‘আপোনাৰ গ্ৰাহকক জানক’ ৰীতি/এন্টি মানি লণ্ডাৰিং (এএমএল) মানদণ্ড সম্বন্ধীয় নীতি-নিয়ম উলঙ্ঘন কৰাৰ বাবেও তেওঁ দায়ী হ’ব।

ৰিজাৰ্ভ বেংকে লগতে এই কথাও দঢ়াই কব বিচাৰে যে ফৰেন এক্সচেঞ্জ মেনেজমেন্ট এক্ট, 1999-এ লটাৰী আঁচনিত অংশগ্ৰহণৰ বাবে যিকোনো ধৰণেৰে ধন প্ৰেৰণ নিষিদ্ধ কৰিছে। এই নিষেধাজ্ঞা তদুপৰি বিভিন্ন নামত বৰ্তমানেস্থিত লটাৰী জাতীয় আঁচনি, যেনে মানি চাৰ্কুলেশ্যন স্কীম আদিত অংশগ্ৰহণৰ বাবে ধন প্ৰেৰণৰ ক্ষেত্ৰত অথবা প্ৰাইজ মানি/এৱাৰ্ড আদি লোৱাৰ উদ্দেশ্যে ধন প্ৰেৰণৰ ক্ষেত্ৰতো প্ৰযোজ্য হ’ব।

বেংক সমূহলৈ জাৰি কৰা ইয়াৰ চাৰ্কুলাৰত ৰিজাৰ্ভ বেংকে উল্লেখ কৰিছে যে সাম্প্ৰতিক কালত জালিয়াত গোষ্ঠীসমূহৰ পৰা সস্তীয়া পুঁজিৰ নকল অফাৰ ওপচি পৰিব ধৰিছে। এইবিলাক পঠিওৱা হয় চিঠি-পত্ৰ, ই-মেইল, ম’বাইল ফোন, এচএমএচ ইত্যাদিৰ জৰিয়তে। জালিয়াত দলৰ কৰ্মপদ্ধতিৰ বিতং বিৱৰণ দি ৰিজাৰ্ভ বেংকে জনাইছে যে লক্ষ্যৰ লোকৰ সৈতে এনে যোগাযোগ কৰা হয় ৰিজাৰ্ভ বেংকৰ নকল লেটাৰহেডৰ জৰিয়তে তথা তাত চহী কৰা বুলি দেখুওৱা হয় শীৰ্ষ কাৰ্যপালিকা/জ্যেষ্ঠ বিষয়াৰ দ্বাৰা। বহুতো নিবাসী ভাৰতীয় এনে প্ৰলুব্ধকাৰী অফাৰৰ দ্বাৰা প্ৰবঞ্চিত হৈছে আৰু এইদৰে প্ৰচুৰ পৰিমাণৰ ধন হেৰুৱাব লগা হৈছে। তদুপৰি এই কথাও ৰিজাৰ্ভ বেংকৰ দৃষ্টি গোচৰ হৈছে যে এনে প্ৰবঞ্চকসকলে সহজ-সৰল মানুহৰ পৰা বিভিন্ন শিতানৰ অধীনত, যেনে ধৰক প্ৰচেচিং ফিজ/লেনদেনৰ ফিজ/টেক্স ক্লিয়েৰেন্স চাৰ্জ/কনভাৰ্জন চাৰ্জ/ক্লিয়েৰিং চাৰ্জ ইত্যাদিৰ ৰূপত ধন বিচাৰে। এনে লেনদেনৰ চাৰ্জ আদি সংগ্ৰহৰ বাবে প্ৰবঞ্চকৰ দলে বিভিন্ন বেংকৰ শাখাত কোনো ব্যক্তিৰ নামত, নহলে কোনো স্বত্বাধিকাৰী সংস্থাৰ নামত একাধিক একাউন্ট খোলে। এই একাউন্টসমূহত কোনো নিৰ্দিষ্ট পৰিমাণৰ ধন জমা দিবলৈ প্ৰবঞ্চকৰ দলে প্ৰতাৰিত লোকসকলক প্ৰৰোচিত কৰে। জমা কৰাৰ লগে লগে তেওঁলোকে সেই ধন উলিয়াই লৈ যায় আৰু প্ৰতাৰিত লোকক দুৰ্দশাত পেলায়।

ৰিজাৰ্ভ বেংকে আগতেও বহুবাৰ এনে ভুৱা আঁচনি/অফাৰ সম্বন্ধে প্ৰিন্ট আৰু ইলেক্ট্ৰনিক প্ৰচাৰমাধ্যমৰ জৰিয়তে জনসাধাৰণক সতৰ্ক কৰি দিছে। গ্ৰাহকসকলে এই বিষয়ে আৰবিআই-ৰ প্ৰেছ ৰিলিজ চাব পাৰে www.hdfcbank.com-ৰ ৰেমিটেন্স বিভাগত।

এইচডিএফচি বেংক

আমি বুজি পাওঁ আপোনাৰ সংসাৰ

Validity : Permanent
Ver : BN8_V1.0_Sep11